নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া জানাবাতৰ (ফৰজ) গোছল কৰিছিল, তেতিয়া তেখেতে প্ৰথমে ভালকৈ দুয়োখন হাত ধুইছিল। তাৰ পিছত নামাজৰ অজুৰ দৰে অজু কৰিছিল। তাৰ পিছত গোছল কৰিছিল।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া জানাবাতৰ (ফৰজ) গোছল কৰিছিল, তেতিয়া তেখেতে প্ৰথমে ভালকৈ দুয়োখন হাত ধুইছিল। তাৰ পিছত নামাজৰ অজুৰ দৰে অজু কৰিছিল। তাৰ পিছত গোছল কৰিছিল। ইয়াৰ পিছত তেখেতে হাতেৰে চুলিবোৰ খিলাল কৰিছিল। যেতিয়া তেখেতে
নিশ্চিত হৈছিল যে, পানী ছাল পৰ্যন্ত ঢুকি পাইছে তেতিয়া তেখেতে গোটেই শৰীৰত তিনিবাৰ পানী ঢালিছিল। তাৰ পিছত গোটেই শৰীৰত পানী ঢালিছিল। লগতে তেওঁ কৈছেঃ মই আৰু ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম একে পাত্ৰৰ পৰা পানীলৈ একেলগে গা ধুইছিলোঁ।
[ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জানাবতৰ গোছল কৰাৰ সময়ত প্ৰথমে দুয়োখন হাত ঘঁহি ঘঁহি ধুই লৈছিল। ইয়াৰ পিছত তেখেতে নামাজৰ অজুৰ দৰে অজু কৰিছিল। ইয়াৰ পিছত দুয়ো হাতেৰে মূৰৰ চুলিবোৰ খিলাল কৰিছিল। যেতিয়া তেখেতে নিশ্চিত হৈছিল যে, পানী ছালৰ গুৰিলৈকে ঢুকি পাইছে তেতিয়া তেখেতে মূৰত তিনিবাৰ পানী ঢালিছিল, ইয়াৰ পিছত গোটেই শৰীৰত পানী ঢালিছিল। এইখিনি বৰ্ণনা কৰাৰ পিছত আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ মই আৰু ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম এখন পাত্ৰৰ পৰাই পানীলৈ গোছল কৰিছিলোঁ।

http://sunnah.global/hadeeth/as/show/3316